অসমীয়া প্ৰতিদিন ■ বৃহস্পতিবাৰ, ৩০ মে', ২০০২/১৫ জেঠ, ১৯২৪ শক

## গ্ৰীণ মানাহৰ উদ্যোগত সজাগতা সভা

# তিনি বিধায়কক গ্ৰেপ্তাৰৰ দাবী

প্ৰতিদিন সেৱা, বৰপেটা, ২৯ মে' ঃ বৰপেটা জিলাৰ অন্যতম প্ৰকৃতি সংগঠন 'গ্ৰীণ মানাহ'ৰ উদ্যোগত যোৱা ১৮ মে'ত ভাঙাৰপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণৰ স্বাৰ্থত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। সজাগতা সভাখন সঞ্চালনা কৰে গ্ৰীণ মানাহৰ সভাপতি ধনেশ্বৰ স্বৰ্গীয়াৰীয়ে। সভাত গ্ৰীণ মানাহৰ উপদেষ্টা ধৰণীধৰ ওৱাৰী, উপদেষ্টা চিকণ বসুমতাৰী আৰু উত্তৰ গোৱৰ্ধনা হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াদ আলীয়ে অভয়াৰণ্যখন সংৰক্ষণ কৰিবলৈ আহ্বান জনায়। সভাত সচিবপ্ৰধান নিৰঞ্জন বৰ্মনৰ লগতে কেইবাজনো কাৰ্যনিৰ্বাহক সদস্যই অংশগ্ৰহণ কৰে। সজাগতা সভাত গাতি গাঁও, ৰাঘবিল, নাৰায়ণগুৰি এলেংগামাৰী, বাঁহবাৰী আদি গাঁৱৰ প্ৰায় ২০০ জন ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত গ্ৰীণ মানাহৰ তৰফৰ পৰা মানাহৰ প্ৰয়োজনীয়তা, জৈৱ বিচিত্ৰতা, প্ৰাকৃতিক ভাৰসাম্যতা আদিৰ ওপৰত বিস্তৃত বক্তব্যৰে জনসাধাৰণক মানাহ সংৰক্ষণত সহায় আগবঢ়োৱাৰ বাবে আহ্বান জনায়। মানাহ সংৰক্ষণ সজাগতা সভাত উপস্থিত আব্দুছ ছামাদ, হাইদৰ আলী, আশ্ৰফ আলী, হানিফ আলী, আজগৰ আলীয়ে ভাষণ দিয়ে। আনহাতে বেকী নদীৰ সমীপৱৰ্তী ভাঙাৰপাৰা গাঁৱত এচাম চোৰাং কাঠ ব্যৱসায়ীয়ে বেকী নদীৰেই চোৰাংভাৱে কাঠৰ ব্যৱসায় কৰি থকা সন্দৰ্ভত মুকলিভাৱে সভাত আলোচনা হয়। অতি আশ্চৰ্যজনক কথা হ'ল এই যে উক্ত কাঠ ব্যৱসায়ীসকলৰ লগত মানাহ অভয়াৰণ্যৰ বন কৰ্মচাৰীও জড়িত হৈ আছে। এই সন্দৰ্ভত বিভাগীয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে। ইপিনে অসম চৰকাৰৰ বন বিভাগে ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চলসমূহ বেদখলকাৰীসকলৰ পৰা মুক্ত কৰাৰ বাবে লোৱা সাহসী পদক্ষেপক বৰপেটা জিলাৰ বাঁহবাৰীস্থ 'গ্ৰীণ মানাহ'ৰ তৰফৰ পৰা পূৰ্ণ সমৰ্থন আগবঢ়াইছে। অন্যান্য ৰাষ্ট্ৰীয় উদ্যানৰ লগতে বৰপেটা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানখন বেদখলমুক্ত কৰাৰ বাবে চৰকাৰ তথা জিলা প্ৰশাসনক 'গ্ৰীণ মানাহে' দাবী জনাইছে। শাসক দলৰ তিনি বিধায়কে সম্প্ৰতি বেদখল উচ্ছেদৰ বিৰুদ্ধে মাত মতা কাৰ্যক গ্ৰীণ মানাহে গৰিহণা দিয়াৰ লগতে অতিশীঘ্ৰে বিধায়ক তিনিজনক গ্ৰেপ্তাৰ কৰিবলৈও দাবী জনাইছে।

আমাৰ অসম, ১৭ নৱেম্বৰ/2002

# মানাহ ৰক্ষাৰ বাবে মুখ্য মন্ত্ৰীলৈ 'গ্ৰীণ মানাহ'ৰ আৰ্জি

● 'আমাৰ অসম' অৰণ্যম সেৱা, বৰপেটাৰোড

বৰপেটা জিলাৰ উত্তৰে অৱস্থিত বিশ্ববিখ্যাত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সমস্যাৱলী আৰু ইয়াৰ আশু সমাধানৰ বাবে বাঁহবাৰীস্থ 'গ্ৰীণ মানাহে' যোৱা ১৬ জুনত ১৭ দফীয়া দাবীসম্বলিত স্মাৰক-পত্ৰ বনমন্ত্ৰী গোবিন্দ চন্দ্ৰ লাংথাচাক দিছিল যদিও আজিকোপতি এই সন্দৰ্ভত কোনো ব্যৱস্থা নোলোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে সংগঠনটোৱে। 'গ্ৰীণ মানাহ'ৰ প্ৰধান সচিব নিৰঞ্জন বৰ্মনে এক প্ৰেছ বিজ্ঞপ্তিযোগে অভিযোগ কৰা মতে উক্ত স্মাৰক-পত্ৰ সন্দৰ্ভত প্ৰায় দুমাহজোৰা অসমৰ প্ৰায় বাতৰি কাকতসমূহে প্ৰচাৰ চলাইছিল। মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ সঞ্চালক সন্তোষ পাল সিং আৰু বাঁহবাৰীৰ প্ৰাক্তন ৰেঞ্জাৰ অজয় কুমাৰ ব্ৰহ্মাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পুঁজিৰ আত্মসাৎ কৰা সম্পৰ্কত চি বি আইৰ তদন্তৰ বাবে উত্থাপন কৰা দাবী মন্ত্ৰী লাংথাচাই পৰ্যায়ক্ৰমে সমাধান কৰাৰ আশ্বাস দিছিল। কিন্তু বিষয়া দুজনক বদলি কৰিয়ে চৰকাৰ ক্ষান্ত হোৱা বুলি অভিযোগ কৰি তেওঁ আৰু কয়— সংগঠনটোৰ আন আটাইবোৰ দাবীৰ সন্দৰ্ভত এবো ব্যৱস্থা লোৱা নহ'ল। বৰ্মনে জনোৱা মতে, পুনৰ যোৱা ২৭ ছেপ্টেম্বৰৰ দিনা এই দাবীসমূহ কাৰ্যকৰীকৰণ সম্পৰ্কত বনমন্ত্ৰীক কৰা ৰাইজৰ আবেদন-নিবেদন যেন ফুটুকাৰ ফেনত পৰিণত হ'ল। সেই দাবীসমূহ সন্দৰ্ভত বনমন্ত্ৰীয়ে এবো পদপে গ্ৰহণ নকৰিলে। সংগঠনটোৰ এক প্ৰেছ বিজ্ঞপ্তিত আৰু উল্লেখ আছে যে মানাহক ৰক্ষা কৰাৰ স্বাৰ্থতে আমাৰ দাবীসমূহ তৎকালীনভাৱে কাৰ্যকৰী কৰাৰ বাবে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰক।